# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 17-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিধানসভাত অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ চনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ অনিয়ম সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন দাখিল কৰে। প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত আয়োজন কৰা অসম বিধানসভাৰ এই অধিৱেশনে বড়ো জনগোষ্ঠী আৰু বিটিআৰ এলেকাত বসবাস কৰা জনসাধাৰণৰ প্ৰতি থকা ৰাজ্য চৰকাৰৰ দায়বদ্ধতাকে সূচাইছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই মত ব্যক্ত কৰে।

০০০০

অসম বিধানসভাত আজি অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলসমূহৰ আৰ্থসামাজিক আৰু সামগ্ৰিক উন্নয়ন শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠিত হয়। মধ্যাহ্ন বিৰতিৰ পাছত আজি সদন পুনৰ আৰম্ভ হোৱাত অধ্যক্ষৰ উদ্যোগত এই সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে তেওঁৰ চৰকাৰ বদ্ধপৰিকৰ বুলি ঘোষণা কৰে আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰে। বিধানসভাৰ বাজেট অধিবেশনত কাইলৈ কোনো কাৰ্যসূচী নাই। পৰহিলৈ বুধবাৰে অসম বিধানসভাৰ নতুন ভৱনত বাজেট অধিবেশনৰ কাৰ্যসূচী পুনৰ অনুষ্ঠিত হব।

০০০০

অসম আৰক্ষীয়ে ভাৰত বিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত পাকিস্তানৰ আলী তৌকিৰ শ্বেখ নামৰ ব্যক্তিজনৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্তৰ বাবে বিশেষ সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত এটা বিশেষ তদন্তকাৰী গোট গঠন কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশ অনুসৰি বিশেষ তদন্তকাৰী গোটত সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামী, আৰক্ষী অধীক্ষক ৰোজি কলিতা আৰু সহকাৰী উপ আৰক্ষী আয়ুক্ত মৈত্ৰেয়ী ডেকা সদস্য হিচাপে থাকিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন  মৰ্মে আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই

আলী তৌকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। এই ঘটনাৰ সকলো দিশ চালি-জাৰি চোৱাৰ লগতে ৰাজ্যৰ উপৰি দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাব পৰা কোনো কাৰ্য সংঘটিত হৈছে নেকি সেই কথা নিশ্চিত কৰিবলৈ আৰক্ষীয়ে তদন্ত কৰিব বুলি সঞ্চালক প্ৰধানগৰাকীয়ে আজি সাংবাদিকৰ আগত প্ৰকাশ কৰিছিল।

০০০০

অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাইত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ জিলাই জিলাই ব্যাপক প্ৰস্তুতি চলিছে। চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি এই সন্দৰ্ভত অতিৰিক্ত জিলা আয়ুক্ত শ্ৰৱণা সোণোৱালৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি অহা ২০ ফেব্ৰুৱাৰীত অংশগ্ৰহণকাৰীসকলক বাছযোগে গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ব। এই বৈঠকতে চাহ বাগিচাসমূহৰ কৰ্তৃপক্ষক নিজ নিজ চাহ বাগিচাত অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনীৰ মূল কাৰ্যসূচী পোনপটীয়াভাৱে দেখুওৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা হয়।

তেজপুৰৰ জিলা আয়ুক্তৰ সভাকক্ষতো আজি জিলা আয়ুক্ত অংকুৰ ভৰালীৰ সভাপতিত্বত এই সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে সকলোৰে মিলি এই অনুষ্ঠান সফল কৰি তুলিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৭ হাজাৰ ৫০০ গৰাকী চাহ জনগোষ্ঠীৰ শিল্পীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব।

০০০০

দৰং জিলাত আজি স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকললৈ মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা শুভেচ্ছামূলক উপহাৰসমূহ বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনসংযোগ বিভাগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত স্থানীয় সাংবাদিকসকললৈ আগবঢ়োৱা এই উপহাৰ জিলাখনৰ ৪৭ গৰাকী সাংবাদিকে লাভ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলাখনৰ আয়ুক্তৰ লগতে কেইবাগৰাকীও প্ৰশাসনীয় বিষয়া আৰু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

গোলাঘাট জিলাতো আজি জিলা আয়ুক্ত আৰু অতিৰিক্ত জিলা আয়ুক্তই সৰুপথাৰ, দেৰগাওঁ আৰু বোকাখাট সমজিলাৰ স্বীকৃতিপ্ৰাপ্ত ৬৯ গৰাকী সাংবাদিকক এই উপহাৰ বিতৰণ কৰে।

০০০০

বডোডৰাত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগৰ এখন খেলত দেলহী কেপিটেলছে ৰাজস্থান ৰয়েলছক ১৪২ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে দেলহী কেপিটেলছক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। দেলহী কেপিটেলছে ১৯ অভাৰ ৩ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰাণ সংগ্ৰহ কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ৰেণুকা সিং আৰু জৰ্জিয়া ৰেৰহামে ৩ টাকৈ উইকেট দখল কৰে।

০০০০

যোৰহাট জিলাৰ দিচৈ নগৰ নিৱাসী গিৰিকান্ত হাজৰিকাৰ বাৰ্ধক্যজনিত কাৰণত আজি নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। অসম চৰকাৰৰ ক্ৰীড়া পেঞ্চন লাভ

কৰা একালৰ সুদক্ষ ক্রিকেট খেলুৱৈ প্রয়াত হাজৰিকাৰ মৃত্যুত যোৰহাট আৰু তিতাবৰ চাহ মজদুৰ সংঘকে ধৰি বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে শোক প্রকাশ কৰিছে।

দৰং জিলাৰ সৰাবাৰী মৌজাৰ প্রাক্তন মৌজাদাৰ, বিশিষ্ট সমাজকর্মী ইন্দ্রকান্ত বৰুৱাৰ আজি সন্ধিয়া বার্ধক্যজনিত কাৰণত দেওমৰনৈ খাৰখোৱাপাৰাৰ নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ।

০০০০

সমাপ্ত